# 2016

## ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×৭=৭

(ক) ছোট আতা কোন?

(খ) লক্ষ্মীপতি ভগৱন্তই ক'ত মহাসুখে কটাইছিল?

(গ) লিখকে 'কুসাহিয়াল লোক' বুলি কাক অভিহিত কৰিছিল?

(ঘ) 'কলাঘুমটি' শব্দৰ অৰ্থ লিখা।

(ঙ) 'পৃথিৱীৰ মঙ্গলময়া' বুলি কোন শ্ৰেণীৰ লোকক বুজোৱা হৈছে?

(চ) বাণীকান্ত কাকতিয়ে 'নামঘোষা'ৰ মাজেৰে প্ৰধানকৈ কেইটা ভাবৰ ধাৰা প্ৰবাহিত হোৱা বুলি কৈছে?

(ছ) মণিৰাম দেৱানৰ সৈতে একেলগে কাক ফাঁচী দিয়া হৈছিল?

২। চমু টোকা লিখা : ২×৪=৮

(ক) বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য

(খ) গুৰু-চৰিত কথা

(গ) সত্যনাথ বৰা

(ঘ) মহেশ্বৰ নেওগ

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো তিনিছোৰা) : ৫×৩=১৫

(ক) ......বোলে বৰাৰ পো আৰু দিনাচাৰি আগে লাগ পালোহতে তোমাক : এ আমিও ৰামানন্দৰ মাকক বিবাহ নকৰিলোহতে : তেওঁ কৰাইচো বুলি গৃহঅন্ধকুপত প্ৰাণ ত্যাগ কৰা নাজাই॥

(খ) তেবে ভক্তিৰ বলে তান লোক বৈকুণ্ঠ পাৰে, জাক কালে কিছো কৰিতে নাপাৰে। যাক আশায় মহা মহা ৰাজাসৰো বনক জায়া আছে॥

(গ) কৰ্তব্য-পালন নিৰানন্দনাশী মহামন্ত্ৰ। এই মন্ত্ৰেৰে পশু-পক্ষী আদি সংসাৰৰ প্ৰাণীবোৰে নিৰানন্দ বিনাশ কৰে।

(ঘ) এপিনে বৰগীতৰ অন্তৰ্গত মাধৱদেৱৰ শিশুকৃষ্ণ বিষয়ক গীতবোৰ, যেনে—বাৎসল্য ৰসৰ, আনপিনে তেনে নামঘোষাৰ অন্তৰ্গত কৰুণ স্তুতিৰ গীতবোৰো দাস্যভাবৰ উৎকৰ্ষ প্ৰকাশক।





(ঙ) সাহিত্যই জগৎ-সৌন্দৰ্যৰ ফালে আমাক বাট দেখুৱাই লৈ যায়। এই বাট দেখুৱাই লৈ যাব পৰাতেই সাহিত্যৰ সৃষ্টি-শক্তিৰ পৰিচয়।

৪। (ক) 'গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগ' পাঠৰ পৰা শঙ্কৰদেৱ আৰু মাধৱদেৱৰ জীৱনৰ কি কি কথা জনা যায়, বিৱৰি লিখা। ১০

*অথবা*

(খ) 'সংক্ষেপে কৃষ্ণলীলা' পাঠৰ আধাৰত শ্ৰীকৃষ্ণৰ জীৱনৰ বিভিন্ন ঘটনাৱলী আৰু তেওঁৰ মাহাত্ম্য কিদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা।

৫। (ক) 'নগঞা দ্ৰোহী লোকৰ চৰিত্ৰ বৰ্ণন' পাঠটিৰ গদ্যশৈলী সম্বন্ধে এটি টোকা প্ৰস্তুত কৰা। ১০

*অথবা*

(খ) 'সদানন্দৰ কলাঘুমটি' পাঠৰ আধাৰত লম্বোদৰ বৰাৰ ব্যঙ্গাত্মক ৰচনাৰীতি সম্বন্ধে এটি আলোচনা যুগুত কৰা।

৬। (ক) মণিৰাম দেৱানৰ পৰিচয় দিয়া। তেওঁক কিয়, ক'ত আৰু কেনেকৈ ফাঁচী দিয়া হৈছিল, বৰ্ণনা কৰা। ১০

*অথবা*

(খ) সাহিত্য, আৰ্ট আৰু জীৱন সম্বন্ধে মহেশ্বৰ নেওগে কি মতামত আগবঢ়াইছে, পাঠ্যপুথিৰ আলমত বিচাৰ কৰা।

★★★